
পাঠ ৮

# বেবেৰিবাং

শব্দৰ সাৰ্থক প্ৰয়োগে কবিতা ৰসাল কৰি তোলে। অনুৰূপ আৰু অনুকাৰ শব্দবোৰ অসমীয়া ভাষাৰ অনন্য সম্পদ। এনে শব্দৰ সাৰ্থক প্ৰয়োগেৰে আমাৰ কবিয়ে কেনেদৰে সৰু কাহিনী এটাক ৰসাল কবিতা এটিৰ ৰূপ দিছে, চাওঁ আহা।



ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।
★পোলোক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল।
ঘোটোক ঘাটাক চাহপানী খাই
তামোল মটক্ মাটাক,
মোলোক দেউ যাবলৈ ওলাল
খৰম খটক খাটাক।
ফুচুক ফাচাক কথাই ইফালে
ওলাব নোৱৰা হৈ
ভাত উতলাদি উতলি আছিল
[illegible]তক ভাতাক কৈ।



ভল ভলীয়া বুঢ়া সলসলীয়া মুখ
এবাৰ সুৰুঙা পাই
★ঢোলোক ঢালাক বাগৰি পৰিল
ফুচুক ফাচাক কাই।
টুপুক টাপাক বুটলি লৈ
পেটত ভৰালে ঠাহি
মোলোক দেউৰে বাট বুলিলে
মুচুক মাচাক হাঁহি।



***কবি— ড° নিৰ্মলপ্ৰভা বৰদলৈ***

*(উৎস ঃ মৰুৱা ফুল, পৃষ্ঠা- ২৫৭, সম্পাদনা- নৰকান্ত বৰুৱা, পঞ্চম প্ৰকাশ-২০০৮, প্ৰকাশক - অসম প্ৰকাশন পৰিষদ)*

★ *কবিতাটিত 'পোলোক পালাক', 'ঢোলোক ঢালাক' ৰূপ আছে যদিও অভিধান মতে 'পুলুক্ পালাক্' আৰু 'ঢুলুক্ ঢালাক্' হ'ব লাগে।*

### কবি পৰিচয়

**ড° নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩-২০০৬ চন)**— ড° নিৰ্মলপ্ৰভা বৰদলৈ একাধাৰে কবি, গীতিকাৰ, প্ৰবন্ধকাৰ, শিশু-সাহিত্যিক, ঔপন্যাসিক আৰু অসমীয়া সাহিত্যৰ গৱেষক আছিল। 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ', 'সুদীৰ্ঘ দিন আৰু ঋতু' আদি তেখেতৰ উল্লেখযোগ্য কবিতা সংকলন। তেখেতে 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ কবিতা পুথিখনৰ বাবে ১৯৮৩ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। বৰদলৈৰ শিশু-সাহিত্যৰ ভিতৰত 'ওমলা গীত', 'কথা সৰিৎসাগৰ', 'সুৰদীমাত', 'সুৰীয়া মাত', 'শালিকা ৰটৌ টৌ' ইত্যাদি উল্লেখযোগ্য। 'চিল চিল চিলা' শিশু পুথিখনৰ বাবে তেখেতে ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তৰ দৌল-দেৱালয় আৰু দেৱীকেন্দ্ৰিক গ্ৰন্থ 'দেৱী'ৰ কাৰণে তেখেতে অসম সাহিত্য সভাৰ বঁটা লাভ কৰে। ড° নিৰ্মলপ্ৰভা বৰদলৈ দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতি হৈছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ ৰীডাৰ, প্ৰফেছাৰ আৰু 'জৱাহৰলাল নেহৰু প্ৰফেছাৰ' ৰূপে কাৰ্যনিবাহ কৰি অৱসৰ লয়।

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

১) কবিতাটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু আবৃত্তি কৰা।

২) দলত ভাগ হৈ কবিতাফাকিৰ পৰা তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা।

(ক) ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।

- কেনেকুৱা কথাই চুচুক চামাককৈ ৰৈ আছিল?
- কাৰ পেটত কথাটো কথমপি ৰৈ আছিল?

(খ) পোলোক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল।

- পোলোক পালাক চকুৰে চাই কোন আহিছিল?
- কথাৰ মেল কিমান পৰ বহিছিল?

(গ) কবিতাটিৰ কথাখিনি গদ্য ৰূপত কোৱা আৰু লিখা।

৩) ভল ভলীয়া বুঢ়া সলসলীয়া মুখ
এবাৰ সুৰুঙা পাই
ঢোলোক ঢালাক বাগৰি পৰিল
ফুচুক ফাচাক কাই।

— কথাখিনিৰ ভাব বহলাই লিখা।



৪) কবিতাটিৰ পৰা 'ক' বৰ্ণৰে শেষ হোৱা শব্দবোৰ বাছি উলিয়াই লিখা।

৫) **উত্তৰ দিয়া।**

(ক) ভাত উতলাদি ভুতুক ভাতাক কৈ বুঢ়াৰ পেটত উতলি থাকি কোন ওলাব নোৱৰা হৈ আছিল?

(খ) মোলোক দেউ কেনেকৈ যাবলৈ ওলাল?

(গ) মোলোক দেউৱে কেনেদৰে বাট বুলিছিল?

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৬) ভাত উতলাদি উতলি আছিল

ভুতুক ভাতাক কৈ।

**ভাত** শব্দটো বিশেষ্য পদ। ইয়াৰ বিশেষণৰ ৰূপটো ভতুৱা।

**এনে ধৰণৰ শব্দ আৰু সেই শব্দৰ প্ৰয়োগেৰে বাক্য গঠন কৰি তলৰ তালিকাখন পূৰ কৰা।**

| বিশেষ্য | বিশেষণ | বাক্য |
|---|---|---|
| বন | বনুৱা | বনুৱাজনে ঘাঁহ কাটিছে। |
| ৰণ | | |
| ঘৰ | | |
| সাৰ | | |
| খাৰ | | |
| পলস | | |
| বজাৰ | | |

**জানো আহা**

আচল শব্দৰ বল বৃদ্ধি কৰিবলৈ তাৰ লগত কেতিয়াবা অনুৰূপ আকৃতিৰ ওপৰঞ্চি শব্দ ব্যৱহাৰ কৰা হয়। এই শব্দবিলাকক **অনুৰূপ** শব্দ বোলে। ধ্বনিক অনুকৰণ কৰি যিবোৰ শব্দৰ সৃষ্টি কৰা হয় তাকে **ধ্বন্যাত্মক** বা **অনুকাৰ** শব্দ বোলে।

৭) দুজনীয়া দলত বিভক্ত হৈ উদাহৰণ চাই অন্ত্যমিল থকা আন আন শব্দ গঠন কৰিবলৈ চেষ্টা কৰা।

কৈ → গৈ → বৈ ............... ............... ............... ............... ...............

মুচুক মাচাক → → → →

টুপুক টাপাক → → → →

কুৰুক কাৰাক → → → →

চল্‌চলীয়া → → → →

কিচ্‌কিচীয়া → → → →

৮) কবিতাকেইফাকি পঢ়া আৰু অনুৰূপ শব্দবোৰত ◯ চিন দিয়া।

ঘৰ চৰ ভাঙি নিলে
বৰদৈচিলাই
ৰহিমলাই কান্দি আছে
ইনাই বিনাই।
চাউল টাউল একো নাই
খৰিবোৰো তিতা
ছাগলী টাগলী কেনি গ'ল
ছেদেলি ভেদেলি ভিঠা।



৯) কবিতাটিত তোমালোকে 'তিতা' শব্দটো পাইছা। এই 'তিতা' শব্দটোৱে বাক্য ভেদে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। তলৰ বাক্য দুটালৈ মন কৰা আৰু 'তিতা' শব্দটোৱে কোনটো বাক্যত কি অৰ্থ কৰিছে লিখা।

(ক) <u>তিতা</u> কাপোৰবোৰ ৰ'দত দিয়া।

(খ) পংকজে <u>তিতা</u> বস্তু খাবলৈ বেয়া পায়।

**১০) শব্দৰ লগত অৰ্থ মিলোৱা।**


শব্দ

| | |
|---|---|
| আটা | |
| আতা | |
| কাণ | |
| কান | |

অৰ্থ

শুনা ইন্দ্ৰিয়
কান্ধ
ঘেঁহুৰ গুড়ি
পিতাকৰ পিতাক

**১১) চকৰিটোত থকা শব্দৰে কবিতা দুফাকি সম্পূৰ্ণ কৰা।**





(ক) নিজৰা বৈ যায়
.................. কৈ
ভোমোৰাই উৰি ফুৰে
.................. কৈ।
বতাহত বাঁহ জোপাই
.................. কৰে।
আকাশত তৰাবোৰে
.................. কৰে।

(খ) নপঢ়িলে দেউতাই
.................. কৰে।
.................. হাঁহি মাৰি
ভাইটি লৰ মাৰে।
আইতা আহে ওচৰ চাপি
.................. কৰি।
ভণ্টিও আহে বিস্কুট খাই
.................. কৰি।

## গ — জ্ঞান সম্প্ৰসাৰণ

কবি লীলা গগৈৰ 'অঘাইটং ল'ৰা' নামৰ কবিতাটিৰ পৰা কিছু অংশ দিয়া হৈছে ; পঢ়ি চোৱা আৰু ভোটাৰামৰ বিষয়ে কোৱা।



পঢ়াশালিত ভোটাৰাম
ঘৰত মাতে ভটং,
ল'ৰা নহয় এলাপেচা
বৰ অঘাইটং।

এদিনাখন ভটং বোপাই
ঘটং ঘটং কৰি,
হাত এখনি পতং পেলালে
গছৰ পৰা পৰি।

কলং নদীৰ দলং খনত
তলং ভলং কৰি,
জপং কৰে ভটং বোপাই
দিয়ে পানীত পৰি।

বংমনে খং কৰি
বং লগাই কয়,
ভটং বোপাই খাটাং কথা
মনত পেলাই থয়।

*(উৎস ঃ মকৰা ফুল, পৃষ্ঠা - ২৩৪, সম্পাদনা - নৱকান্ত বৰুৱা, প্ৰকাশক ঃ অসম প্ৰকাশন পৰিষদ)*

১৩) দলত বহি তলত দিয়া শব্দসমূহ ব্যৱহাৰ হোৱাকৈ একোটিকৈ কবিতা লিখিবলৈ যত্ন কৰা।

| | | |
|---|---|---|
| খট্ খট্ | টং টং | জক্ মক্ |
| গুৰুম্ গুৰুম্ | মুৰুক্ মাৰাক্ | খপ্ জপ্ |
| টিক্ টিক্ | কক্ বক্ | ঢলং পলং |

**১৪) দলত আলোচনা কৰি কাষৰ বাকচৰ ভিতৰত থকা শব্দ খটুৱাই তলৰ দফাটো সম্পূৰ্ণ কৰা।**

নয়ন এজন ………………… ল'ৰা। পিচে সি ………………… কাপোৰ পিন্ধি ভাল নাপায়। তাৰ কাম-কাজবোৰ ……………………। কাম কৰোঁতে সি ………………… নকৰে। কোনো কথাতে তাৰ ………………… অৱস্থা নহয়। সি তাৰ মনৰ ভাব ……………………………… কৈ প্ৰকাশ কৰিব পাৰে। তাৰ মাতটোও ……………………। এদিন এখন সভাত সি ছহিদসকলৰ বিষয়ে কৈ আছিল। তাৰ ভাষণ শুনি লগৰীয়াৰ চকু …………………… হৈছিল।

| |
|---|
| গল্‌গলীয়া |
| সল্‌সলীয়া |
| চল্‌চলীয়া |
| পৰিপাটি |
| ৰং চঙীয়া |
| তজ্‌বজীয়া |
| খদম্‌দম্‌ |
| খপ্‌জপ্‌ |

## ঘ — প্ৰকল্প

- **পাঁচটা ধেমেলীয়া কবিতা সংগ্ৰহ কৰা। সেই কবিতাৰ নাম আৰু কবি পৰিচয় দি এখন প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰা আৰু সকলোৱে পঢ়িব পৰাকৈ শ্ৰেণীকোঠাৰ বেৰত আঁৰি থোৱা।**
- **দৈনন্দিন জীৱনত কথা কওঁতে সচৰাচৰ ব্যৱহাৰ কৰা বিশটাকৈ বিশেষ্য পদ আৰু অনুৰূপ শব্দ তলৰ তালিকাত লিখা।**

| বিশেষ্য পদ | অনুৰূপ শব্দ |
|---|---|
| | |